দেশ

দীপাৱলীৰ বোনাছত ২০ কর্মচাৰীক ১ লাখতকৈ অধিককৈ নগদ ধন! নোটৰ বাণ্ডিল দেখি আৱেগিক হৈ পৰিল কর্মচাৰী

গুজৰাটৰ চুৰাটৰ মহাদেৱ ক্লথ চেণ্টাৰৰ স্বত্বাধিকাৰী ৰামস্বৰূপ মুণ্ডেই দীপাৱলীৰ উপহাৰ হিচাপে প্রতিষ্ঠানটোৰ ২০গৰাকী মহিলা কর্মচাৰীক প্রতিগৰাকীক এক লাখ টকাতকৈ অধিক নগদ ধন প্রদান কৰিছে। পূজাৰ থালিত নোটৰ বাণ্ডিল সজাই আগবঢ়োৱা এই উপহাৰ লাভ কৰি একাংশ কর্মচাৰী আৱেগিক হৈ পৰে।

প্রকাশ: ৮ নৱেম্বৰ ২০২৬, আবেলি ৪:২৫



চুৰাট, ৮ নৱেম্বৰ, ২০২৬:

দীপাৱলীৰ বোনাছ হিচাপে কর্মচাৰীক মিঠাই, উপহাৰ বা অতিৰিক্ত দৰমহা দিয়াটো বহু প্রতিষ্ঠানৰ পৰম্পৰা। কিন্তু গুজৰাটৰ চুৰাটৰ এগৰাকী বস্ত্র ব্যৱসায়ীয়ে নিজৰ কর্মচাৰীসকলক আগবঢ়োৱা উপহাৰে সকলোৰে দৃষ্টি আকর্ষণ কৰিছে। ব্যৱসায়ীগৰাকীয়ে নিজৰ প্রতিষ্ঠানত কর্মৰত ২০গৰাকী কর্মচাৰীক প্রতিগৰাকীক এক লাখ টকাতকৈ অধিক নগদ ধন দীপাৱলীৰ উপহাৰ হিচাপে প্রদান কৰিছে। নোটৰ বাণ্ডিলেৰে সজোৱা পূজাৰ থালিত এই ধন আগবঢ়োৱাৰ দৃশ্য সামাজিক মাধ্যমত বিয়পি পৰাৰ পাছতে চর্চালৈ আহিছে ঘটনাটো।

চুৰাটৰ মটা বৰাছা অঞ্চলৰ মহাদেৱ ক্লথ চেণ্টাৰৰ স্বত্বাধিকাৰী ৰামস্বৰূপ মুণ্ডেই এই বিশেষ উপহাৰ আগবঢ়াইছে। তেওঁৰ প্রতিষ্ঠানত কর্মৰত ২০গৰাকী মহিলা কর্মচাৰীক দীপাৱলীৰ বোনাছ হিচাপে প্রতিগৰাকীক এক লাখ

টকাতকৈ অধিক ধন দিয়া হৈছে।

এই উপহাৰৰ মুঠ পৰিমাণ ২০ লাখ টকাতকৈ অধিক বুলি প্ৰকাশ পাইছে। সাধাৰণতে উৎসৱৰ সময়ত মিঠাইৰ টোপোলা বা সৰু উপহাৰ আগবঢ়োৱাৰ বিপৰীতে ব্যৱসায়ীগৰাকীৰ এই পদক্ষেপে কৰ্মচাৰীসকলক আচৰিত কৰি তোলে।

এই উপহাৰ প্ৰদানৰ পদ্ধতিটোৱেও বিশেষ চৰ্চা লাভ কৰিছে। সাধাৰণ খামত ধন দিয়াৰ পৰিৱৰ্তে ৰূপালী ৰঙৰ সজোৱা পূজাৰ থালিত ১০, ২০, ৫০, ১০০, ২০০ আৰু ৫০০ টকীয়া নোটৰ বাণ্ডিল সুন্দৰকৈ সজাই ৰখা হৈছিল।

এগৰাকী এগৰাকীকৈ কৰ্মচাৰীক এই থালিসমূহ আগবঢ়োৱা হয়। নোটৰ বাণ্ডিল দেখি প্ৰথমে হতচকিত হৈ পৰে কৰ্মচাৰীসকল। পাছত উপহাৰ লাভ কৰি একাংশ কৰ্মচাৰী আৱেগিক হৈ চকুলো টুকিছে।

ব্যৱসায়ী ৰামস্বৰূপ মুণ্ডেই কয় যে তেওঁ নিজৰ কৰ্মচাৰীসকলক কেৱল প্ৰতিষ্ঠানত কাম কৰা লোক হিচাপে নাভাবে। তেওঁলোক তেওঁৰ পৰিয়ালৰ সদস্যৰ দৰেই।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1259/surat-businessman-rs-1-lakh-diwali-bonus-20-employees